# শব্দ সম্ভাৰ

| শব্দ | | অৰ্থ |
|---|---|---|
| | | **অ** |
| অস্তিত্ব | — | বৰ্তমানতা , সত্তা, স্থিতি |
| অনাবিল | — | নিৰ্মল, স্বচ্ছ, পৰিষ্কাৰ |
| অনৱদ্য | — | অনিন্দ্য, হৃদয়গ্ৰাহী |
| অভিলাষ | — | বাঞ্ছা, ইচ্ছা, স্পৃহা, লোভ, অনুৰাগ |
| অধিগৃহীত | — | আইনৰ সহায়েৰে দখল কৰা |
| অস্ত্ৰোপচাৰ | — | ৰোগ চিকিৎসাৰ বাবে কৰা অস্ত্ৰৰ প্ৰয়োগ |
| অনুষ্টুপীয়া | — | অলপীয়া, অনুৰূপীয়া, সংক্ষেপ |
| অভিযান | — | কোনো উদ্দেশ্য লৈ সদলবলে কৰা যাত্ৰা, যুদ্ধ যাত্ৰা |
| অনুশাসিত | — | নিয়ন্ত্ৰিত, পৰিচালিত |
| অনুপম | — | অতি সুন্দৰ, নিৰুপম, অতুলনীয় |
| অপৰিহাৰ্য | — | যাক পৰিহাৰ কৰিব বা এৰিব নোৱাৰি, হাত সাৰিব নোৱাৰি |
| অফুৰন্ত | — | শেষ নোহোৱা |
| অভূতপূৰ্ব | — | আগেয়ে নোহোৱা, অদ্ভুত, আচৰিত, নতুন |
| অনুবীক্ষণ | — | চকুৰে মনিব নোৱৰা বস্তু ডাঙৰকৈ দেখা |
| অধ্যয়ন | — | মনোযোগ দি পঢ়া কাৰ্য; পাঠ অনুশীলন |

| শব্দ | | অৰ্থ |
|---|---|---|
| অৱশেষ | — | অন্ত, শেষ |
| অন্যমনস্ক | — | অমনোযোগী, মন নিদিয়া |
| অসহ্য | — | সহিব নোৱৰা, অসহনীয় |
| অজ্ঞতা | — | জ্ঞানহীনতা, মূৰ্খতা, অজ্ঞানতা |
| অমোঘ | — | অব্যৰ্থ, নিষ্ফল নোহোৱা |
| অভিযান্ত্ৰিক | — | যন্ত্ৰ আদি নিৰ্মাণ কাৰ্য বিষয়ক |
| অহোপুৰুষাৰ্থ | — | বৰ বেছি যত্ন বা শ্ৰম |
| অনুষ্ঠিত | — | কৃত, যাক সম্পন্ন কৰা হয় |
| অত্যন্ত | — | অতিশয়, বৰ বেছি |
| অনুক্ৰমে | — | যথাক্ৰমে, ক্ৰমান্বয়ে শৃংখলাবদ্ধভাৱে |
| অৱজ্ঞা | — | অসন্মান, উলংঘা কৰা কাৰ্য, সৰু বুলি ভবা ভাব, অনাদৰ, অৱহেলা |
| অবোধ | — | জ্ঞান নোহোৱা, মূৰ্খ, অজলা |
| অনূদিত | — | অনুবাদ বা তৰ্জমা কৰা, এটা ভাষাৰ পৰা আন এটা ভাষালৈ নিয়া |
| অনুশীলন | — | অভ্যাস, পুনঃ পুনঃ কোৱা বা কৰা কাৰ্য |
| অপযশ | — | অপবাদ, বদনাম, কলংক। |
| অভিপ্ৰেত | — | মনেৰে ভবা বা ইচ্ছা কৰা |
| অভিব্যক্তি | — | প্ৰকাশ বা বিকাশ |
| অহমিকা | — | অহংকাৰ, গৰ্ব, মই বৰ ভাব |
| অন্তৰ্ধান | — | নাইকিয়া বা নেদেখা হোৱা |
| অৱশেষ | — | অৱশিষ্ট |

| শব্দ | অৰ্থ |
| --- | --- |
| **আ** | |
| আচহুৱা | — আগেয়ে নেদেখা |
| আজ্ঞা | — আদেশ , ডাঙৰে সৰুক কাম কৰিবলৈ কোৱা কাৰ্য |
| আত্মবিলোপ | — নিজকে নাশ কৰা, নিজকে লুপ্ত কৰা অৱস্থা |
| আত্মকন্দল | — নিজৰ ভিতৰতে লগা কাজিয়া, গৃহ-বিবাদ |
| আত্মগোপন | — নিজকে লুকাই ৰখা কাৰ্য |
| আড়ম্বৰ | — জাক-জমকতা |
| আকাংক্ষিত | — যিটো আকাংক্ষা কৰা হৈছে, বাঞ্ছিত, পাবলৈ আশা কৰি থকা (অসমীয়া শব্দকোষ) |
| আধাৰ | — যি কোনো বস্তু ধাৰণ কৰে, আশ্রয় |
| আচৰণ | — কৰণ, অনুষ্ঠান, ব্যৱহাৰ, চালচলন |
| আবেগ | — ব্যাকুলতা, মনৰ ব্যাকুলতা, মন অস্থিৰ হোৱা অৱস্থা |
| আন্তৰ্জাতিক | — বিভিন্ন দেশৰ মাজত বা একাধিক দেশ-সম্বন্ধীয় |
| আত্মসহায়ক | — নিজৰ সহায়ৰ কাৰণে |
| আত্ম-বিশ্বাস | — নিজৰ ওপৰত বিশ্বাস |
| আমন্ত্রণ | — কোনো কাৰ্যৰ নিমিত্তে মাতি অনা কাৰ্য,মন্ত্র মাতি দেৱতাক মতা কাৰ্য, নিমন্ত্রণ |
| আপুৰুগীয়া | — পাবলৈ নোহোৱা, দুৰ্লভ, আটকীয়া |
| আৱশ্যকতা | — প্রয়োজনীয়তা, দৰকাৰ, গৰজ |
| আওহতীয়া | — সহজে যাব বা পাব নোৱৰা, সদায় যোৱা ঠাইতকৈ বেলেগ |
| আতংক | — ভয়ত কঁপি উঠা ভাব, ভয় খোৱা অৱস্থা, ত্রাস |
| আৱিষ্কৃত | — যিটো বা যাক আৱিষ্কাৰ কৰা হৈছে (আৱিষ্কাৰ- কোনেও নজনা বা নেদেখা বস্তু বা বিষয়ৰ প্রকাশ) |
| আয়োগ | — তদন্ত কৰিবলৈ বা কোনো বিশেষ উদ্দেশ্যে নিযুক্ত উচ্চ ক্ষমতা সম্পন্ন সমিতি (তথ্য নিৰূপণ আদিৰ বাবে নিযুক্ত সমিতি) |
| আৰোপ | — অৰ্পণ, স্থাপন, জাপি দিয়া কাৰ্য |
| আকুল | — ব্যগ্র, কাতৰ, ব্যাকুল, অস্থিৰ |
| আৰা | — এওঁলোক |
| আছন্ত | — আছে |
| আঙ্ক | — এওঁক |
| আসি | — আহি |
| আতি | — অধিক ৰূপে, বৰকৈ |
| আয়ত্ত | — বশীভূত, অধীন, অধিকৃত |
| আক্রমণ | — যুঁজ দিয়া কাৰ্য, হিংসা বশতঃ ক্ষতি সাধনৰ উদ্দেশ্যে আনৰ ওপৰত বল প্রয়োগ, বিৰোধভাৱে প্রৱেশ কৰা কাৰ্য |
| আভ্যন্তৰীণ | — ভিতৰৰ, অন্তৰৰ |

| শব্দ | | অৰ্থ |
|---|---|---|
| | | **ই** |
| ইংগিত | — | কথা বুজাৱা সংকেত, ঠাৰ, চিয়াঁৰ |
| ইলেক্ট্ৰ'ন | — | ঋণাত্মক আধান থকা মৌলিক কণা |
| | | **উ** |
| উৎপাটন | — | খান্দি পেলোৱা কাৰ্য, গুৰি গছ উঘালি পোলোৱা কাৰ্য, নষ্টকৰণ |
| উদ্ধাৰ | — | ৰক্ষা, আপদৰ পৰা ৰক্ষা কৰা কাৰ্য, মুক্তি পোৱা অৱস্থা |
| উৎফুল্লিত | — | আনন্দিত, হৰ্ষিত |
| উদ্যোগ | — | যত্ন, চেষ্টা, পুৰুষাৰ্থ, উদ্দ্যম |
| উৎসৰ্গা | — | দান, কোনো বিশেষ ফলসিদ্ধিৰ উপলক্ষে কোনো নিৰ্দিষ্ট দেৱতা বা মানুহক কৰা দান, স্বাৰ্থ ত্যাগ |
| উপাদান | — | কোনো বস্তুৰ মূল কাৰণ, বস্তুৰ মূল পদাৰ্থ, যিবোৰ বস্তু গোট খাই আন এটা বস্তুৰ উৎপত্তি হয় |
| উল্লেখিত | — | প্ৰকাশিত, উল্লিখিত |
| উৰ্বৰা | — | সাৰ থকা, সাৰুৱা। |
| উদ্ঘাটন | — | মুকলি কৰা কাৰ্য, উন্মোচন |
| উদ্ভাৱন | — | নতুনকৈ উলিওৱা কাৰ্য |

| শব্দ | | অৰ্থ |
|---|---|---|
| উদ্‌গতি | — | উন্নতি, শ্ৰীবৃদ্ধি, ওপৰলৈ গতি |
| উপনিষদ | — | বেদৰ ঘাই ভাগ, বেদৰ যিভাগত পৰমেশ্বৰৰ বিষয়ে বাদানুবাদ আছে সেই ভাগ |
| উৎকৰ্ণ | — | শুনিবলৈ কাণ থিয় কৰি থকা, অস্থিৰ, কোনো কথাৰ কি ফল হ'ব জানিব বিচৰা |
| উচ্ছৃংখল | — | অপৰিপাতি, বাধা নমানা |
| উদ্যান | — | মুকলি ঠাই, ফুল আদি থকা গুৰনি বাৰী |
| উদাসীন | — | সংসাৰৰ বাহিৰত থকা; কেৰলীয়া |
| | | **ঊ** |
| ঊৰু | — | আঁঠুৰ ওপৰ ভাগ |
| | | **এ** |
| একাগ্ৰ | — | একমনা, আগ্ৰহযুক্ত, এটা কথা বা বিষয়ত আগ্ৰহৰে লগা |
| এনয় | — | এনেয়ে |
| একদিনা | — | এদিন |
| | | **ঐ** |
| ঐতিহাসিক | — | ইতিহাস-সম্পৰ্কীয়, বুৰঞ্জীৰ গুৰি ধৰি লিখা |
| ঐশ্বৰ্যময় | — | প্ৰচুৰ ধন সম্পত্তি থকা |
| ঐতিহ্য | — | গৌৰৱপূৰ্ণ পৰাম্পৰাগত বিষয় বা প্ৰথা |
| | | **ঔ** |
| ঔদ্যোগীকৰণ | — | উদ্যোগ বা শিল্প স্থাপন কৰা কাৰ্য |

| শব্দ | অৰ্থ |
|---|---|
| **ক** | |
| কাহিলি | — অলপ, ঈষত |
| কু-প্ৰবৃত্তি | — বেয়া, ইচ্ছা, বেয়া বাসনা |
| কটকী | — দূত, ৰাজদূত (এজন ৰজাই আন এজন ৰজাৰ লগত আৱশ্যকীয় কথা বাৰ্তা ক'বলৈ পঠোৱা দূত) |
| কাৰ্যপন্থা | — কোনো কাৰ্য কৰিবৰ বাবে বা চলাবৰ বাবে ব্যৱস্থা বা প্ৰণালী |
| কৰ্মনিষ্ঠ | — একান্ত (কৰ্মী) |
| কল্যাণ | — মংগল, শুভ, কুশল |
| কিয়দংশ | — কিছু অংশ |
| কম্পমান | — কম্পনযুক্ত, কঁপা, অস্থিৰ |
| কৰ্ষণ | — মাটি চাহ কৰা কাৰ্য |
| কৃষ্টি | — শিক্ষা বা চৰ্চাৰ দ্বাৰা লাভ কৰা বিদ্যা, কৰ্ষণ, সংস্কৃতি |
| কলা-কৌশল | — বিবিধ বিদ্যা আৰু কৌশল, নানা প্ৰকাৰৰ শিল্প প্ৰণালীৰ জ্ঞান আৰু তাত পাৰ্গতালি , বিদ্যাবুদ্ধিৰ চাতুৰ্য |
| কাঁহুদি | — বটা সৰিয়হ, চকলিওৱা আমৰ লগত লোণ দি মচলা দি কৰা এবিধ চাটনি |
| কিঞ্চিৎ | — অলপমান, অলপ পৰিমাণ, যৎসামান্য |
| কন্দল | — কাজিয়া, খৰিয়াল, বিবাদ |
| কলা-সম্পদ | — শিল্প বিষয়ক বিদ্যা |
| কোলাহল | — অনেক মানুহে দূৰৈত কৰা হাই, উচ্চ শব্দ |

| শব্দ | অৰ্থ |
|---|---|
| কাৰিকৰী | — কাৰুশিল্প সম্পৰ্কীয়, (কাৰুশিল্প- কাঠ, ধাতু, মাটি আদিৰ আকৰ্ষণীয় শিল্প) |
| কৌষিকী | — এখন নৈ। এই নৈখন কৌশিক ঋষিৰ কন্যা বুলি পুৰাণত আছে |
| কদাচিতো | — কেতিয়াও (কেতিয়াবা বুলি হেমকোষত আছে) |
| কৰ্মহীনতা | — কাম নথকা, নিৰনুৱা |
| কাপুৰুষ | — ভয়াতুৰ মানুহ, অধম মানুহ, নীচ |
| কুলবৈৰী | — বংশৰ শত্ৰু, পৰিয়ালৰ শত্ৰু |
| কুলতিলক | — বংশৰ শ্ৰেষ্ঠ পুৰুষ |
| কৃতকৰ্ম | — কৰি শেষ কৰা কাম |
| কলা-কৌশল | — বিবিধ বিদ্যা আৰু কৌশল |
| ক্ৰেতা | — কিনোতা |
| ক্ৰমোন্নতি | — লাহে লাহে হোৱা উন্নতি |
| **খ** | |
| খন্তীয়া-সাপ | — খন্তিৰ নিচিনা চেপেটা মুখেৰে এবিধ কেঁচু-জাতিৰ সাপ |
| খনন | — খন্দা বা খনা কাৰ্য |
| খটা | — নিজৰ বাঞ্ছা সিদ্ধ হ'বৰ কাৰণে আশা কৰি কোনোৰ ওচৰলৈ গৈ ভৰসা কৰা |
| খোৰাক | — খোৱা বস্তু বা তাক কিনিবলৈ দিয়া নগদ ধন |
| খাৰলি | — সৰিয়হত লোণ দি প্ৰস্তুত কৰা এবিধ চাটনি |
| খল | — লগনীয়া, টুটকীয়া মানুহ |
| খাইলন্ত | — খালে |

| শব্দ | | অৰ্থ |
|---|---|---|
| | | **গ** |
| গঠনাত্মক | — | গঠনমূলক |
| গৰিষ্ঠ | — | অতি শ্ৰেষ্ঠ, বৰমান্য, অতি মাননীয় |
| গৌণ | — | অপ্ৰধান, উপকৰুৱা, যিটো মুখ্য নহয় |
| গোপশিশু | — | গৰখীয়া ল'ৰা, গৰু ৰখা মানুহৰ শিশু, গোৱালসকলৰ শিশু |
| গণ্য | — | ডাঙৰ বা শ্ৰেষ্ঠ বুলি মানিবৰ যোগ্য, লেখত ল'বলগীয়া |
| গৱেষণা | — | গভীৰ চিন্তা, দকৈ বিচাৰি চোৱা কাৰ্য |
| গুৰুত্ব | — | গধুৰ গুণ, গধুৰতা |
| গতানুগতিক | — | লোকৰ নিয়ম বা কাৰ্য মতে চলা। প্ৰচলিত নিয়মৰ অনুৱৰ্তী, নতুনত্ববিহীন |
| গাই-গোটা | — | লগ নথকা, অকল, অকলশৰীয়া |
| গণ্ডগোল | — | হাই-উৰুমি, গোলমাল, হুলস্থূল, কাজিয়া |
| গায়ত্ৰী | — | ঋক্‌বেদৰ এটা বৰ পৱিত্ৰ মন্ত্ৰ, তাক পাঠ কৰিলে পাপৰ পৰা উদ্ধাৰ হোৱা যায় |
| গুপ্ত | — | লুকোৱা, ঢাকি থোৱা, গুপুত, গোপনীয় |
| | | **চ** |
| চিৰন্তন | — | চিৰকলীয়া, পুৰণি কালৰ পৰা থকা |

| শব্দ | | অৰ্থ |
|---|---|---|
| চাহিদা | — | প্ৰয়োজন, কোনো বস্তু পাবৰ বা কিনিবৰ ইচ্ছা। |
| চিত্ৰায়িত | — | ছবিৰ দৰে দাঙি ধৰা |
| চক্ৰৱতী | — | বহুত দেশৰ ওপৰত ৰজা, অধিৰাজ। |
| চৌৰ-খান্ট | — | চোৰ, ডকাইত। |
| চৰা | — | চোৱা |
| | | **জ** |
| জাতিবৃন্দ- | — | জাতিৰ লোকসকল |
| জাগা | — | জাগি উঠা, টোপনিৰ পৰা উঠা, সাৰ পোৱা |
| জিনি | — | জয় কৰি, অতিক্ৰম কৰি, ব্যক্ত হোৱা |
| জনগোষ্ঠী | — | জাতি, উপ-জাতি আদি লোকৰ দল |
| জক্‌জকাই | — | খঙতে চিঞৰি, অকস্মাত চিঞৰি |
| জাকত জিলিকা | — | শিৰ ফুটা, যাৰ উপস্থিতি সহজে চকুত পৰে, তেনে |
| | | **ঝ** |
| ঝংকাৰ | — | ধ্বনি, শব্দ, মাত, জোকাৰ |
| | | **ট** |
| টনকিয়াল | — | শ্ৰম কৰিব পৰা, অৱস্থাপন্ন, টনটনীয়া |
| টেৰ | — | বেঁকা |
| | | **ত** |
| তুৰন্তে | — | ততালিকে |
| তত্ত্ব | — | সত্যতা, স্বৰূপ, যথাৰ্থতা মৰ্ম |

| শব্দ | | অৰ্থ |
|---|---|---|
| তটিনী | — | নৈ |
| তাপিত | — | শোক যুক্ত, কষ্ট পোৱা |
| তক্ষক | — | পৰীক্ষিত ৰজাক খুঁটি মৰা এটা বিখ্যাত সাপৰ নাম |
| তান | — | তেখেতৰ (পুৰণি অসমীয়া মতে) |
| তৰী | — | নাও, পাৰ হ'ব পৰা জলযান, ৰক্ষা পৰি, মুক্তি পাই |
| **থ** | | |
| থিৰাং | — | নিশ্চিত, লৰচৰ নোহোৱা, ঠিক |
| থিত | — | স্থিৰ |
| থম্‌থম্‌কৈ | — | স্থিৰভাৱে |
| **দ** | | |
| দুৰ্যোগ | — | দুখৰ দিন, বিপদৰ সময় |
| দল্‌দোপ্ (হেন্দোল্‌দোপ্) | — | বহুত মানুহৰ সমাগম হোৱা দুপনি, তল-ওপৰ |
| দ্ৰুত | — | খৰ, বেগী, শীঘ্ৰ |
| দণ্ডিবো | — | (দণ্ড, শাস্তি) শাস্তি দিম |
| দ্ৰোহ | — | অপৰাধ, বিৰুধ আচৰণ |
| দাৱানল | — | দপ-দপকৈ জ্বলা জুই |
| দীপ্তিময় | — | প্ৰকাশযুক্ত, পোহৰ থকা, উজ্জ্বল |
| দুৰ্ম্মদ | — | কু-স্বভাৱশীল, কুবুদ্ধিযুক্ত, মন্দমতিযুক্ত |
| দুৰ্জ্জয় | — | পৰাক্ৰমী, বলৱন্ত, জিকিবলৈ টান |

| শব্দ | | অৰ্থ |
|---|---|---|
| দুৰ্নিবাৰ | — | যিটো নিবাৰণ কৰিব নোৱাৰি, যাক বোধ কৰিব নোৱাৰি। |
| দিঠক | — | চেতন অৱস্থা, সাৰে থকা বা সপোন নেদেখা অৱস্থা |
| দংশোক | — | কামোৰক, খেঁটক |
| দিব্য | — | স্বৰ্গ বা দেৱতাৰ যোগ্য, স্বৰ্গীয়, উত্তম, সুন্দৰ |
| দূৰবীক্ষণ | — | দূৰৈত থকা বস্তু ওচৰ যেন দেখা কাৰ্য বা যন্ত্ৰ |
| দুষ্কৰ | — | কৰিবলৈ টান, উজু নোহোৱা, দুঃসাধ্য |
| দৃষ্টান্ত | — | উদাহৰণ, পটন্তৰ, উপমাৰে বুজোৱা কথা, নমুনা, আৰ্হি |
| দুৰ্যোগ | — | বেয়া দিন, দুৰ্দিন, সমস্যা |
| দীৰ্ঘজীৱী | — | বহুদিন জীয়াই থকা |
| দিনকণা | — | দিনতে নেদেখা, অমনোযোগী |
| **ধ** | | |
| ধনগুলৈ | — | জেকা ঠাইৰ পৰা ওলোৱা আৰু আন্ধাৰত জিলিকা এবিধ বাষ্প, পচা বস্তু আদি থকা জেকা ঠাইৰ পৰা ওলোৱা এবিধ বাষ্প বায়ুৰ সংস্পৰ্শত জ্বলি উঠাৰ ফলত সৃষ্টি হোৱা জুই |
| ধ্যান | — | ৰৰকৈ মন লগোৱা কাৰ্য, তন্ময়তা, ভাবত বিভোৰ হোৱা কাৰ্য |

| শব্দ | | অৰ্থ | শব্দ | | অৰ্থ |
|---|---|---|---|---|---|
| ধাৰাবাহিকতা | — | ধাৰাসাৰ, ক্ৰমাগত চলিত, অবিচ্ছেদ্যতা | পৰাস্ত | — | পৰাজিত, পৰাভূত |
| ধৈৰ্য | — | ধীৰতা, বিপদত স্থিৰ হৈ থকা গুণ | পৰিত্যক্ত | — | এৰা, ত্যাগ কৰা |
| | | **ন** | পুঞ্জীভূত | — | থূপ খাই থকা |
| নৃত্যৰতা | — | নচা কাৰ্যত লিপ্ত হৈ থকা | প্ৰত্যাশিত | — | ভৰসা কৰি থকা, আশা কৰা |
| নিজম | — | নিঃশব্দ, নিস্তব্ধ, নীৰৱ | পোষণ | — | পোহপাল কৰা কাৰ্য, পালন |
| নিচুক | — | কান্দোন এৰি শান্ত হ, মনে মনে থাক | প্ৰতিভাস | — | প্ৰকাশ |
| নিৰ্ভীকতা | — | ভয়হীনতা, দৃঢ়তা | প্ৰেৰণা | — | উদগনি, বলেৰে পাঁচনি |
| নিয়মানুবৰ্তিতা | — | নিৰ্দিষ্ট নিয়ম মানি চলা | পৰম্পৰা | — | ধাৰা, অনুক্ৰম, বংশানুক্ৰমে চলি অহা ৰীতি, নীতি বিশ্বাস আদি |
| নাচোনৰ ছেও | — | নাচনৰ অংগ-ভংগী | পৰিৱেশন | — | যোগান ধৰা কাৰ্য, বিলোৱা কাৰ্য, যতনাই দিয়া কাৰ্য |
| নৃশংসভাৱে | — | নিৰ্মমভাৱে | প্ৰদৰ্শন | — | দেখুওৱা কাৰ্য |
| নান্দনিক | — | সূক্ষ্ম সৌন্দৰ্যযুক্ত | পদক্ষেপ | — | ইটোৰ পাছত আনটো খোজ (কাৰ্যন্তৰ) |
| নিচান | — | পতাকা, ধ্বজ, চিহ্ন, চিন | পদমৰ্যদা- | — | উচ্চ পদবীৰ বাবে হোৱা মান বা গৰিমা |
| নিমিত্তে | — | কাৰণে | প্ৰদৰ্শনী | — | বিভিন্ন সামগ্ৰী সজাই মুকলিকৈ দেখুওৱা মেলা |
| নিঃস্বাৰ্থ | — | নিজৰ হিত চিন্তা নকৰা, উপকাৰৰ আশা নকৰা | প্ৰসঙ্গ | — | সম্পৰ্ক, সম্বন্ধ, প্ৰস্তাৱ |
| নিপুণতা | — | পটুতা, পাৰ্গতালি, দক্ষতা বা নৈপুণ্য | প্ৰতিধ্বনি | — | কোনো ঠাইত ঠেকা খাই উঠা শব্দ |
| নিৰ্গত | — | ওলোৱা, বাজ হোৱা, বাহিৰ হোৱা, নিগৰি ওলোৱা | প্ৰত্নতত্ত্ব | — | পুৰণিকলীয়া বস্তু সম্বন্ধীয় জ্ঞান, প্ৰাচীন কালৰ মুদ্ৰা লিপি, মন্দিৰ আদিৰ ভগ্নাৱশেষৰ বিচাৰ নাইবা উদ্ধাৰ হোৱা অতীত ইতিহাস সম্বন্ধীয় জ্ঞান |
| নিযুক্তি | — | নিয়োগ, কাৰ্য-ভাৰ অৰ্পণ | | | |
| নিয়ন্তা | — | শাসন কৰোঁতা, চলাওঁতা, নায়ক | | | |
| নিৰ্মিত | — | সজা, গঢ়া। | | | |
| | | **প** | | | |
| পটভূমি | — | মূল চিত্ৰৰ লগত অঁকা পৰিৱেশ, চিত্ৰৰ পিছফালে থকা অংশ | পৰিকল্পিত | — | কোনো কাম কৰিবলৈ আগতীয়াকৈ কৰা আঁচনি |

| শব্দ | | অৰ্থ |
|---|---|---|
| প্ৰাক্-ঐতিহাসিক | — | যি যুগৰ পৰা ইতিহাস পোৱা যায় তাৰ আগৰ, ইতিহাস-পূৰ্ব |
| পমি যায় | — | দ্ৰৱীভূত হৈ যায় |
| পৰ | — | আপোন নোহোৱা বা নিলগীয়া মানুহ, নিজক বাদে আন |
| পৰমপিতা | — | পৰমেশ্বৰ, ঈশ্বৰ |
| পেটেভঁৰাল | — | নিজৰ বাহিৰে আনৰ কথা চিন্তা নকৰা, স্বাৰ্থপৰ |
| পৰমাণু | — | ৰাসায়নিক ক্ৰিয়াত অংশ ল'ব পৰা পদাৰ্থৰ ক্ষুদ্ৰতম অংশ |
| পজিট্ৰন | — | মৌলিক কণা; ভৰ আৰু আধান ইলেক্ট্ৰনৰ সমান |
| পদাৰ্থ | — | বস্তু, দ্ৰব্য |
| প্ৰথা | — | ৰীতি, পূৰ্বৰ চলি অহা নিয়ম |
| পৰিগণিত | — | মানি লোৱা, বিবেচিত |
| প্ৰযুক্তিবিদ্যা | — | কাৰিকৰী প্ৰয়োগ কৌশল সম্বন্ধীয় |
| প্ৰগতি | — | অগ্ৰগতি, ক্ৰমোন্নতি |
| প্ৰয়োজনীয় | — | লাগতিয়াল, আৱশ্যকীয় |
| পৰিকল্পনা | — | কৰিবলগীয়া কামৰ আঁচনি |
| পৰিতাপ | — | খেদ, পাছত কৰা বেজাৰ, অনুতাপ, দুখ, শোক |
| প্ৰভূত | — | অধিক, বহুত, যথেষ্ট |
| পাতেক | — | পাতক, পাপী |
| প্ৰায়চিত্ত (পৰাচিত) | — | পাপৰ পৰা মোচন হ'বলৈ কৰা কাৰ্য, পাপৰ প্ৰতিকাৰ |

| শব্দ | | অৰ্থ |
|---|---|---|
| প্ৰকাশিয়া | — | প্ৰকাশ কৰি |
| পৰিবাৰ | — | পত্নী, ভাৰ্যা, স্ত্ৰী |
| প্ৰবাদ | — | মানুহৰ মুখে মুখে চলি অহা আগৰ দিনৰ কথা |
| **ফ** | | |
| ফটিক | — | নিৰ্মল, স্বচ্ছ, এবিধ বৰ বগা নিমজ পাথৰ |
| ফিৰিঙতি | — | জুইৰ কণিকা, জুইৰ আঙ্গনি |
| ফাৰিবো | — | ফালিম |
| **ব** | | |
| বৰ্ণময় | — | বিভিন্ন ৰঙেৰে আলোকিত হৈ থকা |
| বাৰ্তা | — | খবৰ, সম্বাদ,বাতৰি |
| বিচক্ষণ | — | পাৰ্গত, উত্তম, সুন্দৰ |
| বৈঠা | — | মূৰ গোটা আৰু আগফালে চেপেটা নাও চলোৱা কাঠৰ এবিধ দীঘল সঁজুলি |
| বিশ্লেষণ | — | সূক্ষ্ম আৰু পুংখানুপুংখ অধ্যয়ন |
| বিচলিত | — | অস্থিৰ, অধৈৰ্য |
| বৈচিত্ৰ্য | — | বিচিত্ৰতা, শোভা |
| বৰেণ্য | — | বৰণীয়, শ্ৰেষ্ঠ, আদৰণীয় |
| বৰ্বৰ | — | অসভ্য, নীচ, দুষ্ট |
| বাহ্যিক | — | বাহিৰৰ |
| বিনন্দীয়া | — | আনন্দময়, অতিশয় শুৱনি |
| বিপণি | — | বজাৰ, হাট, দোকান, বেচা-কিনা কৰা স্থান |
| বিনিময় | — | আদান-প্ৰদান, সলনা-সলনি |
| বিস্তৃত | — | বহল কৰা, বহলোৱা, বহল |

| শব্দ | অৰ্থ |
| --- | --- |
| বেদ | — হিন্দুসকলৰ ঘাই আৰু মূল ধৰ্মশাস্ত্ৰ |
| বিজ্ঞানসন্মত | — বিশেষভাৱে জনা, বিজ্ঞানৰ দ্বাৰা স্বীকৃত |
| ব্যাখ্যা | — ভাঙি বুজোৱা অৰ্থ, অৰ্থ ভাঙন |
| বিৰল | — পাবলৈ টান, অধিক ৰূপে নথকা |
| বিৰক্ত | — অসন্তুষ্ট, অনুৰক্ত নোহোৱা, আসক্তি নথকা, ভাল নোপোৱা |
| বলিয়া | — পাগল, উদণ্ড |
| বলিদান | — ত্যাগ, উচৰ্গা |
| বিশ্ব-প্ৰেম | — জগতৰ সকলো জীৱৰ প্ৰতি সমান ভাল পোৱা |
| বিজ্ঞানী | — বিজ্ঞানবিদ; বিজ্ঞানৰ পণ্ডিত; বিজ্ঞানৰ গৱেষক |
| বিশ্ববিশ্ৰুত | — গোটেই বিশ্বতে জনাজাত, প্ৰখ্যাত (বিশ্ব–জগৎ, পৃথিৱী) |
| বিস্মিত | — যি বিস্ময় বোধ কৰিছে, আচৰিত হোৱা |
| বিলাপ | — বিননি, গুণ বৰ্ণাই কৰা শোক |
| বোল | — কথা ক, মাত |
| বাদী | — গুচৰীয়া, কওঁতা, ব্যক্ত কৰোঁতা |
| বেথা | — চেনেহ, মৰম |
| বাইলন্ত | — বালে, বজালে |
| **ভ** | |
| ভাবমূৰ্তি | — চিন্তা ধাৰা, কোনো ব্যক্তি বা বিষয় সম্পৰ্কে লোৱা ধাৰণা |
| ভাঙ্গি | — ভাঙি, খণ্ড খণ্ড কৰি, ধ্বংস কৰি |
| ভূ-গৰ্ভ | — পৃথিৱীৰ গৰ্ভ, পৃথিৱীৰ ভিতৰ বা অভ্যন্তৰ |
| ভগ্নাৱশেষ | — কোনো বস্তু ভাগি-ছিগি যোৱাৰ পাছত থকা অংশ বিশেষ |
| ভাস্কৰ্য | — শিল্প বা শিল আদিত মূৰ্তি বা আখৰ কটা, ধাতু আদিৰ পৰা মূৰ্তি সজা শিল্প |
| ভয় | — ত্ৰাস, আতঙ্ক, বিপত্তিৰ আশংকা |
| ভয়াতুৰ | — ভয় থকা , ভীত, ভয়পোৱা |
| ভাবাৱেগ | — ভাব-আৱেগ, মনৰ গতিৰ ব্যাকুলতা, চিন্তাৰ আকুলতা |
| ভাণ্ডাৰ | — ভঁৰাল |
| ভাষণ | — কথা, কথন, বক্তৃতা |
| ভৈলা | — হ'ল |
| **ম** | |
| মহাৰথী | — শ্ৰেষ্ঠ বীৰ, পৰাক্ৰমী যুঁজাৰু |
| মৃত্যুপণ | — মৰণ শপত |
| মনোবৃত্তি | — মনৰ ভাব, মনৰ চিন্তা |
| মতলীয়া | — বিভোৰ |
| মুক্তপ্ৰাণ | — বন্ধনৰ পৰা মুকলি, মুকলি, বন্ধন নথকা |
| ম্ৰিয়মান | — মৰাৰ সদৃশ, মৰাৰ নিচিনা বা তুল্য |
| মূল্যবোধ | — প্ৰমূল্য, নীতি সম্পৰ্কীয় জ্ঞান |

| শব্দ | | অৰ্থ |
|---|---|---|
| মতানৈক্য | — | মতৰ অমিল |
| মগ্ন | — | তন্ময়, ভাবত বিভোৰ হোৱা, ৰবকৈ মন লগোৱা |
| মন্দাকিনী | — | স্বৰ্গৰ গঙ্গা, আকাশী গঙ্গা |
| মনোনিৱেশ | — | কোনো বিষয়ত মন পুতি লগা কাৰ্য; মনোযোগ |
| মহাজাগতিক | — | বিশ্ব জগত সম্পৰ্কীয় (জগৎ পৃথিৱী), বিশ্বব্ৰহ্মাণ্ড সম্বন্ধীয় |
| মুখ্য | — | প্ৰধান, শ্ৰেষ্ঠ, মুখিয়াল |
| মেচন বা মেজন | — | এবিধ মৌলিক কণা; মেচন বা মেজনৰ ভৰ ইলেক্‌ট্ৰনতকৈ বেছি, প্ৰোটনতকৈ কম |
| মুৰব্বী | — | মুখিয়াল |
| মৃগয়া | — | (মৃগ মানে পছু) পছু চিকাৰ, পছু ধৰি বা মাৰি কৰা ধেমালি .. |
| মিঞিও | — | মই |
| মাতন্ত | — | মাতে, মাতিলে |
| **য** | | |
| যো-জা | — | আয়োজন, যোগাৰ |
| যাতো | — | হেতু, কাৰণে, গতিকে। |
| **ৰ** | | |
| ৰঙ্গিলী | — | আনন্দ কৰি ভালপোৱা |
| ৰূপৰেখা | — | আকৃতি বা সীমা নিৰ্দেশক ৰেখা, মূল বিষয়বস্তু। (অসমীয়া শব্দকোষ) |
| ৰসাস্বাদন | — | ৰসৰ সোৱাদ লোৱা কাৰ্য |
| ৰশ্মি | — | কান্তি, দীপ্তি , জেউতি |

| শব্দ | | অৰ্থ |
|---|---|---|
| ৰত্ন | — | বহুমূলীয়া মণি, মুকুতা, বাখৰ |
| ৰঙীন সপোন | — | কল্পনা কৰি দেখা সপোন, বেছি ভাল হ'ব বুলি মনে সজা কল্পনা |
| **ল** | | |
| লম্ভি | — | অপদেৱতাৰ দৰে মানুহৰ গাত প্ৰৱেশ কৰি |
| লীন | — | লয় যোৱা অৱস্থা, আন বস্তুৰ সৈতে মিলি এটা হোৱা |
| **শ** | | |
| শাম কটা | — | উপশম হোৱা, কম হোৱা |
| শক্তিমান | — | শক্তিশালী, বলী, বলৱন্ত, পৰাক্ৰমী, শক্তি থকা |
| শিল্পী সত্তা | — | শিল্পীৰ প্ৰাণ, শিল্পীৰ অস্তিত্ব, শিল্পীৰ বিদ্যমানতা |
| শৈলী | — | পদ্ধতি, ৰচনা-ৰীতি, ৰচনা-ভংগী |
| শিষ্টাচাৰ | — | ভদ্ৰ ব্যৱহাৰ, মাৰ্জিত আচৰণ |
| শক্তি | — | বল, ক্ষমতা |
| শাপ | — | লোকৰ অমংগল কৰা বাক্য, শাও |
| শুক (দেৱ) | — | শৌনকাদি ঋষিসকলৰ আগত ভাগৱত ব্যাখ্যা কৰা এজন মুনি |
| শাস্ত্ৰ | — | ধৰ্মৰ নীতি-নিয়ম, বিধি-নিষেধ থকা গ্ৰন্থ |

## স

| শব্দ | অৰ্থ |
| --- | --- |
| সংঘবদ্ধ | — একত্ৰিত হোৱা |
| সামৰিক | — যুদ্ধসমন্ধীয়, সৈন্য-বিভাগীয় |
| সংকট | — আপদ, বিপদ, টান |
| সংকল্প | — কোনো কাম কৰিবৰ ইচ্ছা, ধৰ্ম কাৰ্যৰ নিমিত্তে কৰা প্ৰতিজ্ঞা |
| সাউৎকৰে | — বেগতে, একে চোঁচাই |
| স্বাৰ্থত্যাগ | — নিজৰ চিন্তা এৰা কাৰ্য, নিজৰ লাভ বা মংগল বিসৰ্জন দিয়া কাৰ্য |
| সংস্কৃতি | — বিদ্যা শিক্ষা আদিৰ পৰা পোৱা উৎকৰ্ষতা, সভ্যতা জনিত উৎকৰ্ষ ; কৃষ্টি |
| সমষ্টি | — মুঠ, বহুত বস্তু বা সংখ্যাৰ মুঠ |
| সামগ্ৰিক | — সম্পূৰ্ণ, সমগ্ৰভাৱে কৃত |
| সুকুমাৰ কলা | — সাহিত্য, সংগীত, চিত্ৰাঙ্কন, আদি বিদ্যা |
| সম্পদ | — ঐশ্বৰ্য, সম্পত্তি, বিভূতি |
| সংবেদনশীল | — অনুভূতিপ্ৰৱণ |
| স্বাৱলম্বী | — আত্ম-নিৰ্ভৰশীল |
| স্তম্ভিত | — আচৰিত |
| সবলীকৰণ | — জোৰৱান কৰা, সবল কৰা |
| সুপ্ত | — নিদ্ৰিত, লুকাই থকা, শুই থকা |
| সমমৰ্যাদা | — সম মান |
| স্বাৱলম্বন | — নিজে নিজক প্ৰতিপালন কৰা কাৰ্য, আত্মনিৰ্ভৰশীলতা |
| সহজলভ্য | — কম দামতে পোৱা, সস্তা, সহজে পাব পৰা |
| সমাপিলে | — পূৰ কৰিলে, সমাপ্ত কৰিলে |
| সংৰক্ষণ | — ভালকৈ ৰাখা কাৰ্য |
| সাংস্কৃতিক | — সংস্কৃতি সম্বন্ধীয়, সংস্কৃতি বিষয়ত |
| স্বাক্ষৰ | — নিজৰ হাতেৰে নিজৰ নাম লিখা কাৰ্য, চহী, দস্তখত, চিন |
| সমুদ্ৰ | — সাগৰ |
| সক্ষম | — কাম কৰিবলৈ সমৰ্থ হোৱা |
| সু-দৃঢ় | — বৰ ডাঠ, শকত, অভেদ্য |
| সমাৱেশ | — একেলগে স্থিতি, ভিতৰলৈ যোৱা কাৰ্য |
| স্তূপ | — দ'ম, থূপ |
| স্থাপত্য | — একে ঠাইতে অনেক কাল থকা অৱস্থা |
| সংগ্ৰহালয় | — সংগ্ৰহ কৰি একেলগে থোৱা ঘৰ, সংগ্ৰহ কৰা বস্তু লগলগাই একেলগে একে ঠাইতে থোৱা গৃহ |
| সাদৃশ্য | — তুল্যতা, সাদৃশ্যতা, অনুৰূপতা, একে আকৃতিৰ বা গুণৰ হোৱা অৱস্থা |
| সন্তৰ্পণে | — অতি সাৱধানে, সতৰ্কতাৰে |

| শব্দ | | অৰ্থ |
|---|---|---|
| সম্প্ৰদায় | — | একে মতত চলা লোকৰ সমষ্টি |
| সন্তোষ | — | আনন্দ, হৰ্ষ, আহ্লাদ |
| সেন্দুৰীয়া আলি | — | সেন্দুৰৰ ৰঙৰ নিচিনা ধুনীয়া উজ্জ্বল বাট |
| সুগন্ধি | — | ভাল গোন্ধ |
| সংঘটন | — | যোজন, মেলন (মিলন), একত্ৰকৰণ |
| সমীকৰণ | — | কোনো নিৰূপিত ৰাশি লৈ তেনেকুৱা কোনো আন ৰাশিৰ পৰিমাণ নিৰ্ণয় কৰা কাৰ্য বা সূত্ৰ (গণিত) |
| সমতুল্য | — | সমকক্ষ |
| সন্মিলন (সন্মিলনী) | — | সভা, সমিতি, একেলগ বা একত্ৰিত হোৱা কাৰ্য |
| সমল | — | আৱশ্যকীয় বস্তু, খোৱা বস্তু |
| সম্ভাৱনা | — | হোৱাৰ আগন্তুক, থকা অৱস্থা , হ'বৰ বা ঘটিবৰ আশা |
| সমাধি | — | বাহ্যজ্ঞান এৰি ঈশ্বৰ চিন্তাত মগ্ন হৈ থকা উপাসনা, ধ্যান, তন্ময় হৈ কৰা গভীৰ ঈশ্বৰচিন্তা |
| সমিধান | — | মৌখিক বা কথাৰে দিয়া উত্তৰ |
| সৰ্বাত্মা | — | সকলো জীৱৰে আত্মা স্বৰূপ, ভগৱান |
| সোধন্ত | — | সুধিলে |
| সংবেদন | — | অনুভৱবোধ, সম্যকজ্ঞান |
| সমাজ | — | সকলো, আটাই |
| সত্তা | — | স্থিতি, অস্তিত্ব |
| সম্পত্তি | — | ধন বস্তু, বিভূতি |
| | | **হ** |
| হেঙুলি | — | হেঙুলৰ নিচিনা ৰঙা |
| হাসি | — | হাঁহি |
| হৃদয়ঙ্গম | — | মনত সোমোৱা, মনত লগা |
| হেংদান | — | আহোম স্বৰ্গদেৱে হাতত লোৱা এবিধ তৰোৱাল |
| হেঙুলীয়া | — | হেঙুলৰ নিচিনা ৰঙা (পাৰা, আৰু গন্ধকেৰে প্ৰস্তুত, কাঠত ৰং দিয়া এবিধ গাঢ় ৰঙৰ বস্তু) |
| | | **ক্ষ** |
| ক্ষুধায়ে | — | ভোকত |